# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-09-2024 **Time :** 1845 Hrs

## *Assamese Evening Bulletin*

## HEADLINES

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাইলৈ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ঠিকাভিত্তিক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান।

২। বিশেষ নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত যিকোনো ওজৰ আপত্তি দাখিলৰ বাবে কাইলৈৰ পৰা পোৰ্টেল মুকলি কৰা হ'ব বুলি প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ ঘোষণা।

৩। গুৱাহাটী মহানগৰী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত কালি সন্ধিয়াৰ পৰা হোৱা ধাৰাষাৰ বৰষুণৰ ফলত জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীৰ কেইবাটাও অঞ্চলত যান-বাহনৰ চলাচল নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষী আয়ুক্তৰ নিৰ্দেশ। *আৰু*

৪। পেৰিছ পেৰালিম্পিকত আজি নিশাদ কুমাৰ পুৰুষৰ হাই জাম্পৰ টি-ফৰ্টি চেভেন শিতানৰ ফাইনেলত অৱতীৰ্ণ।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ঠিকাভিত্তিক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰিব। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে বিশেষ নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত যিকোনো ওজৰ আপত্তি দাখিলৰ বাবে কাইলৈৰ পৰা অহা ৮ চেপ্তেম্বৰলৈকে সঞ্চালকালয়ৰ পোৰ্টেল গঞ্জ.সশ্সন.স্কু.তপ মুকলি কৰিব বুলি ঘোষণা কৰিছে। সঞ্চালকালয়ে এটা নিৰ্দেশনাযোগে বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ বিজ্ঞাপন অনুসৰি আবেদন কৰা ঠিকাভিত্তিক আৰু ষ্টেটপুল শিক্ষকসকলে পোৰ্টেলৰ জৰিয়তে যিকোনো ওজৰ আপত্তি দাখিল কৰিব পাৰিব বুলি জানিবলৈ দিছে। তদুপৰি নথিপত্ৰ পৰীক্ষণ সম্পৰ্কীয় কাৰণত আবেদন স্থগিত ৰখা ৮৩৪ জন প্ৰাৰ্থীয়ে পোৰ্টেলত থকা লিংকত ওজৰ আপত্তিৰ লগতে নথিপত্ৰ দাখিল কৰিব পাৰিব। চূড়ান্ত বাচনি তালিকাত স্থান লাভ কৰা শিক্ষকসকলৰ নিযুক্তিপত্ৰ জিলা আৰু বিদ্যালয়ৰ নামৰ ক্ষেত্ৰত কিবা অমিল ধৰা পৰিলে সেই অভিযোগো পোৰ্টেলত সন্নিবিষ্ট হৈ থকা লিংকৰ জৰিয়তে দাখিল কৰিব পাৰিব। প্ৰতিটো ওজৰ আপত্তিৰ বিপৰীতে সমৰ্থিত নথিপত্ৰ দাখিল কৰিব লাগিব। পোৰ্টেলৰ জৰিয়তে দাখিল কৰা নথিপত্ৰসমূহ পৰীক্ষা কৰি যোগ্য প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০০০

গুৱাহাটী মহানগৰী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত কালি সন্ধিয়াৰ পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানে জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰিছে। মহানগৰীখনৰ জু-ৰোড, ৰুক্মিণীগাঁও, পাঞ্জাবাৰী, কাহিলীপাৰা, নুনমাটি, হাতীগাঁও, বেলতলা পথ, যোৰাবাটকে ধৰি কেইবাটাও মূল পথত পানী জমা হোৱাৰ ফলত জনসাধাৰণৰ আহ-যাহত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। ফলত কোনো কোনো ঠাইত জনসাধাৰণ নিজ গৃহত আবদ্ধ হৈ থাকিবলগীয়া হৈছে। মহানগৰীৰ বিভিন্ন স্থানত পথচাৰীৰ লগতে বিশেষকৈ ক্ষুদ্ৰ ব্যৱসায়ীসকল অধিক সমস্যাৰ সন্মুখীন হৈছে। মেঘালয়ৰ পৰা নামি অহা পানীয়ে গুৱাহাটীৰ বিভিন্ন অঞ্চলত বান পৰিস্থিতি জটিল কৰি তুলিছে। বতৰ বিজ্ঞান কেন্দ্ৰ জনোৱা আগজাননী অনুসৰি মহানগৰীখনত আৰু অধিক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইপিনে, গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ে মহানগৰীখনত বৰষুণ আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেইবাটাও অঞ্চলত যান-বাহনৰ চলাচল হ্ৰাস কৰিবলৈ নিৰ্দেশ জাৰি কৰছিে। এই অনুসৰি বশিষ্ঠ থানাৰ অন্তৰ্গত বালুঘাট, হাতীগাঁও থানাৰ অন্তৰ্গত লিটিল ফ্লাৱাৰ স্কুল আৰু সিজুবাৰী অঞ্চল, ছাৰ্ভে ৱায়াৰলেছ অঞ্চল, ৰুক্মিণীগাঁও আৰু ৰাজগড় পথেৰে যান-বাহনৰ চলাচল হ্ৰাস কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০০০

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো মহিলা আৰু শিশু বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় পোষণ মাহৰ লগত সংগতি ৰাখি আজিৰে পৰা ৰাজ্যিক পোষণ মাহ আৰম্ভ কৰা হৈছে। শিশু, কিশোৰ, কিশোৰী, মাতৃ তথা গৰ্ভৱতী মহিলাৰ পুষ্টিহীনতা ৰোধৰ উদ্দেশ্যেৰে এই মাহ পালনৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে ঠায়ে ঠায়ে এক পেৰ মা কে নাম শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। প্ৰধানমন্ত্ৰীয়ে মাতৃৰ নামত একোটাকৈ গছপুলি ৰোপণৰ বাবে জনোৱা আহ্বান অনুসৰি এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাইলৈ মৰিগাওঁৰ তৰুণৰাম ফুকন খেলপথাৰত ৰাজ্যিক পোষণ মাহৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কালি গুজৰাটৰ গান্ধীনগৰত সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ ৰাষ্ট্ৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এইবাৰ এই কাৰ্যসূচীৰ অধীনত ৰক্তহীনতা দূৰীকৰণৰ বাবে ব্যাপক সজাগতা সৃষ্টিৰ লগতে পৰিপুষ্টি আৰু অধ্যয়ন, প্ৰযুক্তি নিৰ্ভৰ উদ্যমৰ সহায়ত তথা পৰিপূৰক আহাৰৰ দ্বাৰা দেশত পুষ্টিহীনতাৰ সমস্যা দূৰ কৰাৰ প্ৰয়াস কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাকেন্দ্ৰীক উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি এইবাৰৰ বাজেটত কন্যা শিশু আৰু মহিলাসকলৰ কল্যাণৰ লক্ষ্যৰে ৩ লাখ কোটি টকা আৱণ্টন দিছে।

০০০০০

উৎকৃষ্ট সেৱাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা উল্লেখযোগ্য সাফল্যৰ বাবে দৰং জিলাই চলিত বছৰৰ জুলাই মাহত ৰাজ্যখনৰ ২৪খন পুৰণি জিলাৰ ভিতৰত **গ্ৰুপ এ**ত তৃতীয় কৃতি জিলা হিচাপে স্থান লাভ কৰিছে। অসম চৰকাৰে ৰাজ্যখনৰ নিৰ্ধাৰিত জনসংখ্যাৰ ২ শতাংশকৈও অধিক বসতি থকা জিলাসমূহৰ মাজৰ পৰা এই জিলাকেইখন বাছনি কৰিছে। এই শিতানত শিৱসাগৰ জিলাই প্ৰথম আৰু যোৰহাটে দ্বিতীয় স্থান লাভ কৰে। মুঠ আঠখন জিলাকহে কৃতি জিলা হিচাপে বাছনি কৰি হৈছিল। আনহাতে, ২৪খন জিলাৰ ভিতৰত প্ৰতিখনকে প্ৰদৰ্শনকাৰী আৰু অভিলাষী জিলাৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছিল। দৰং জিলা আয়ুক্ত মুনিন্দ্ৰ নাথ ঙাটে এই বিষয়ে প্ৰকাশ কৰি সঠিক পৰিকল্পনা আৰু কাৰ্য ৰূপায়ণৰ লগতে সংশ্লিষ্ট বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ সামূহিক প্ৰচেষ্টাৰ ফলত জিলাখনে এই কৃতিত্ব লাভ কৰিছে বুলি উল্লেখ কৰে।

০০০০০০০

এয়াৰ মাৰ্ছেল তেজিন্দৰ সিঙে আজি নতন দিল্লীত ভাৰতীয় বায়ুসেনাৰ উপ মুৰববী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়াৰ মাৰ্ছেল সিঙে ৰাষ্ট্ৰীয় যুদ্ধস্মাৰকলৈ গৈ দেশৰ হ'কে প্ৰাণ আহুতি দিয়া বীৰ সৈনিকসকললৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। এয়াৰ মাৰ্ছেল তেজিন্দৰ সিং ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ প্ৰাক্তন ছাত্ৰ। তেওঁ ১৯৮৭ চনৰ ১৩ জুনত ভাৰতীয় বায়ু সেনাৰ যুজাৰু শাখাত যোগদান কৰিছিল। তেওঁ চাৰে চাৰি হাজাৰ ঘণ্টাৰো অধিক উৰণ অভিজ্ঞতাৰ সৈতে ক-শ্ৰেণীৰ উৰণ প্ৰশিক্ষক। তেওঁ ২০০৭ চনত বায়ু সেনা পদক আৰু ২০২২ চনত অতি বিশিষ্ট সেৱা পদক লাভ কৰিছে।

০০০০০০০০

নগাঁও জিলাৰ বিভিন্ন অঞ্চলত আজি মীন বিভাগে অভিযান চলাই বিভিন্ন মীন পালন প্ৰকল্প পৰিদৰ্শন কৰে। জিলা মীন বিভাগে জুৰীয়া, দ' গাঁও, গদাইমাৰী, মেলেকা ধিং আদি অঞ্চলৰ পুখুৰীসমূহৰ পানীৰ নমুনা সংগ্ৰহ কৰে। মীন বিষয়াসকলে প্ৰকাশ কৰা মতে অঞ্চলটোৰ মাছৰ পুখুৰীসমূহৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দৰ্ভত আজি পানীৰ নমুনা পৰীক্ষা কৰা হয়। বিষয়াসকলে জনোৱা অনুসৰি এই পুখুৰীসমূহত ইউৰিয়া সাৰৰ উপস্থিতি পোৱা হোৱা নাই। অৱশ্যে সংগ্ৰহ কৰা পানীৰ নমুনা পৰীক্ষাৰ পাছতহে প্ৰকৃত তথ্য পোহৰলৈ আহিব বুলি তেওঁলোকে প্ৰকাশ কৰে।

০০০০০০০০

অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ ডাঃ শ্যামল প্ৰসাদ শইকীয়াই আজি যোৰহাটৰ শিশু পৰ্যবেক্ষণ গৃহ পৰিদৰ্শন কৰাৰ লগতে শিশু কয়দীসকলৰ থকা-খোৱা ব্যৱস্থাৰ বুজ লয়। এই পৰ্যবেক্ষণত ১৪টি শিশু কয়দী এইছ্ আই ভি পজিটিভ হোৱা বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে শিশুকেইটিৰ চিকিৎসা আৰু স্বাস্থ্যৰ যতনত গুৰুত্ব আৰোপ কৰে। পৰিদৰ্শন কালত অধ্যক্ষগৰাকীয়ে জিলা অতিৰিক্ত আয়ুক্ত, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ লগতে কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

০০০০০০০০

যোৰহাট জিলাত ফটোযুক্ত ভোটদাতাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী সন্দৰ্ভত বুথ পৰ্যায়ৰ বিষয়া আৰু পৰ্যবেক্ষকসকলৰ বাবে আজি তিতাবৰৰ দেৱ কুমাৰ বৰা প্ৰেক্ষাগৃহত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। তিতাবৰ আৰু মৰিয়নী বিধান সভা সমষ্টিৰ বিষয়াসকলৰ বাবে এই কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্য প্ৰশিক্ষকে ভোটদাতাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী কাৰ্যকলাপৰ সময়ত কোনো ভোটদাতাই যাতে তালিকাৰ পৰা বাদ নপৰে এই সন্দৰ্ভত নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা মূল বিষয়ত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ লগতে সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়াক ভোটদাতাৰ তালিকা অধিক নিৰ্ভুল আৰু ত্ৰুটিমুক্ত কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে।

০০০০০০০০০

তিনিচুকীয়া আৰক্ষী থানাৰ উদ্যোগত তিনিচুকীয়া কমাৰ্চ কলেজত আজি নাৰী সুৰক্ষা সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। এই সভাত সাম্প্ৰতিক পৰিস্থিতিত নাৰীৰ নিৰাপত্তা তথা সুৰক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰি দিহা পৰামৰ্শ আগবঢ়োৱা হয়। অনুষ্ঠানত চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়া কমাৰ্জ কলেজৰ অধ্যক্ষ চৈতন্য বৰা, তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰাগজ্যোতি বুঢ়াগোহাইকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাজ্যত অহা ৩ ছেপ্তেম্বৰত হ'বলগীয়া অভিৰুচী ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি আজি শিৱসাগৰত ৰংপুৰ জল ক্ৰীড়া সন্থাই উজনি অসম-ভিত্তিক এখন সাঁতোৰ প্ৰতিযোগিতাৰ আয়োজন কৰে। প্ৰতিযোগিতাত নামৰূপ, তিনিচুকীয়া,

দুলীয়াজান, মৰাণ, সাপেখাটী, সোণাৰি, শিৱসাগৰকে ধৰি উজনি অসমৰ ১০টা সাঁতোৰ সন্থাৰ সৰ্বমুঠ ১৯২গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত দুগৰাকী আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ আৰু কেইবাগৰাকীও প্ৰাক্তন খেলুৱৈ তথা ক্ৰীড়া সংগঠকক সম্বৰ্দ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰাৰ জন্মদিনটো যোৱা ১৫ বছৰ ধৰি অভিৰুচী ক্ৰীড়া দিৱস হিচাপে উদযাপন কৰি অহা হৈছে।

0000000

ভাৰতৰ কেইবাগৰাকীও খেলুৱৈ আজি পেৰিছ পেৰালিম্পিকৰ  চতুৰ্থ দিনা নিশাদ কুমাৰে পুৰুষৰ হাই জাম্পৰ টি-ফৰ্টি চেভেন শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাখন নিশা প্ৰায় ১০ বাজি ৪০ মিনিটত অনুষ্ঠিত হ'ব। বিভিন্ন শিতানৰ পদকৰ যুঁজত অৱতীৰ্ণ হৈছে। ৰবি ৰংগোলীয়ে পুৰুষৰ শ্বটপুটত পঞ্চম স্থানত থমকি  ৰব লগা হয়।

00000000

ভাৰতীয় ক্ৰিকেট কণ্ট্ৰল বোৰ্ড -বি চি চি আইয়ে কালি ১৯ বছৰৰ অনুৰ্ধৰ ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত হবলগীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ মাল্টি ফৰমেট হোম চিৰিজৰ সময়সূচীৰ ঘোষণা কৰে। জুনিয়ৰ বাচনি সমিতিয়ে ৩ খন ৫০ অভাৰৰ খেল আৰু ২ খন চাৰিদিনীয়া খেলৰ বাবে ১৯ বছৰৰ অনুৰ্ধৰ খেলুৱৈসকলক বাচনি কৰি উলিয়াইছে। মহম্মদ আমনে ৫০ অভাৰৰ বাবে খেলিবলগীয়া দলটোক আৰু চোহম পাটৱৰ্ধনে ৪ দিনীয়া খেলৰ দলটোক নেতৃত্ব দিব। ৫০ অভাৰৰ ৩ খন খেল ২১ চেপ্তেম্বৰৰ পৰা পুডুচেৰীত আৰম্ভ হ'ব আৰু দুখন ৪ দিনীয়া খেল একে মাহৰ ৩০ তাৰিখৰ পৰা চেন্নাইত অনুষ্ঠিত হ'ব।

00000000

শিৱসাগৰত আজি ৩০ টা দল সংগঠনে উমৈহতীয়াভাৱে এখন সংবাদমেলৰ আয়োজন কৰি অসমত খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ উদ্দেশ্যে  অক্টোবৰ মাহৰ শেষৰ ফালে বিশাল গণসমাবেশৰ আয়োজন কৰাা হব বুলি প্ৰকাশ কৰিছে। তেওঁলোকে সমগ্ৰ অসমৰ খিলঞ্জীয়া ৰাইজৰ অধিকাৰ সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত গণ আন্দোলনৰ পৰিকল্পনা কৰিছে বুলি জানিবলৈ দিয়ে। খিলঞ্জীয়াৰ স্বাৰ্থ সংকটত পেলাব পৰা কোনো ৰাজনৈতিক ষড়যন্ত্ৰ তথা ধৰ্মীয় মেৰুকৰণ কোনো কাৰণতে সহ্য কৰা নহব বুলি সংগঠনকেইটাই ঘোষণা কৰিছে।

00000000

এন আৰ চিৰ খচৰা প্ৰস্তুতকৰণৰ পৰিপ্ৰেক্ষিতত আৰণ্টন বন্ধ কৰি ৰখা অসমৰ ৯ লাখ ৩৫ হাজাৰ ৬৮২ জন লোকৰ আধাৰ কাৰ্ড জাৰি কৰি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত, অসম বিধানসভাৰ শৰৎকালীন অধিবেশনত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত, বিজেপিৰ ৰামেশ্বৰ তেলী আৰু মিছন ৰঞ্জন দাস ৰাজ্যসভাৰ সদস্য হিচাপে নিৰ্বাচিত হোৱাৰ বাতৰিকে ধৰি কেইবাটাও উল্লেখনীয় বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

এন আৰ চিৰ খচৰা প্ৰস্তুতকৰণৰ পৰিপ্ৰেক্ষিতত আৰণ্টন বন্ধ কৰি ৰখা অসমৰ ৯ লাখ ৩৫ হাজাৰ ৬৮২ জন লোকৰ আধাৰ কাৰ্ড আৰণ্টনৰ বাবে যোৱা বুধবাৰে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত সাংবাদিসকলক সম্বোধন কৰি কয় যে, এন আৰ চিৰ বায়'মেট্ৰিক নথি গ্ৰহণৰ সৈতে জড়িত কাৰিকৰী কাৰণত ২০১৯ চনৰ ফেব্ৰুৱাৰীৰ পৰা আগষ্ট মাহ পৰ্যন্ত আধাৰ কাৰ্ড প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়া ব্যাহত হৈ আছিল। বিষয়টোক লৈ ইতিপূৰ্বে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ উপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ পাছত কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট সকলো দিশ বিবেচনা কৰি বন্ধ হৈ থকা আধাৰ কাৰ্ডসমূহ সক্ৰিয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত ৰাজ্যখনৰ ৯ লাখ ৩৫ হাজাৰৰো অধিক লোকে পৰৱৰ্তী ১৫ৰ পৰা ৩০ দিনৰ ভিতৰত তেওঁলোকৰ আধাৰ কাৰ্ডসমূহ লাভ কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়ে।

00000000

শুকুৰবাৰে সামৰণি পৰা অসম বিধানসভাৰ এইবাৰৰ শৰৎকালীন অধিবেশন কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।  মুখ্যমন্ত্ৰীয়ে কয় যে, এইবাৰৰ অধিবেশনত গৃহীত বিধেয়কসমূহ ৰাজ্যবাসীৰ কল্যাণৰ দিশত অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হ'ব।  এইবাৰৰ অধিবেশনত গৃহীত প্ৰতিখন বিধেয়কৰ সুকীয়া মৰ্যাদা থকাৰ লগতে ৰাজ্যবাসীৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে এই বিধেয়কসমূহ উত্থাপন কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। বিশেষকৈ মহিলা সৱলীকৰণ, থলুৱা কৃষ্টি, সংস্কৃতিৰ সুৰক্ষা আৰু আদিবাসী জনসাধাৰণৰ কল্যাণৰ দিশত এই বিধেয়কসমূহে সুদূৰপ্ৰসাৰি ভূমিকা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে এইবাৰৰ অধিবেশনত মুছলমান বিবাহ বাধ্যতামূলক পঞ্জীয়ন আৰু বিবাহ বিচ্ছেদ বিধেয়ক ২০২৪, অসম ভূমি আৰু ৰাজহ নিয়ামক সংশোধনী বিধেয়ক ২০২৪ ৰ উপৰি অসম অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি, বিভিন্ন সেৱা আৰু পদত নিযুক্তিৰ ক্ষেত্ৰত আসন সংৰক্ষণ বিধেয়ক, অসম চৰকাৰী ভাষা সংশোধনী বিধেয়ক, অসম দক্ষতা বিশ্ববিদ্যালয় বিধেয়ককে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত হয়।

00000

বিজেপি প্ৰাৰ্থী ৰামেশ্বৰ তেলী আৰু মিছন ৰঞ্জন দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হৈছে। যোৱা ২৬ আগষ্টত দুয়োগৰাকীয়ে ৰিটাৰ্নিং বিষয়াৰ পৰা জয়ী হোৱাৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে বিৰোধীয়ে প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত বিজেপিৰ দুয়োগৰাকী প্ৰাৰ্থীক বিজয়ী ঘোষণা কৰা হয়।

০০০০০০০

চলিত বছৰৰ ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা দেশৰ ৫০ গৰাকী কৃতী শিক্ষকলৈ আগবঢ়োৱা হৈছে। ডিব্ৰুগড়ৰ চিচিয়া বকুলনী ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষক দ্বীপেন খনিকৰেও এই বঁটা লাভ কৰিছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বঁটাৰ বাবে বাছনি লাভ কৰা শিক্ষকগৰাকীক অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে দেশৰ ৫০ গৰাকী কৃতী শিক্ষকৰ মাজত স্থান লাভ কৰি শ্ৰী খনিকৰে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনক গৌৰৱান্বিত কৰিছে বুলি মন্তব্য কৰে। ইফালে শিক্ষকগৰাকীৰ সফলতাত বিদ্যালয়খনত আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০০০

চিকিৎসা বৃত্তিত জড়িত লোকসকলৰ নিৰাপত্তা, সুৰক্ষা আৰু কাম কৰাৰ পৰিৱেশ সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ বাবে উচ্চতম ন্যায়ালয়ৰ বাবে গঠন কৰা ৰাষ্ট্ৰীয় কাৰ্য বাহিনী অৰ্থাৎ এন টি এফৰ প্ৰথমখন বৈঠক মঙলবাৰে কেবিনেট সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। এই বৈঠকত কেন্দ্ৰীয় গৃহ সচিব আৰু স্বাস্থ্য সচিবকে ধৰি আটাইকেইগৰাকী সদস্য উপস্থিত থাকে। বৈঠকত বিভিন্ন বিষয় সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে সদস্যসকলে নিজৰ পৰামৰ্শ দাঙি ধৰে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা জনসাধাৰণ আৰু অন্য অংশীদাৰসকলৰ পৰামৰ্শ বিচাৰি নিজৰ ৱেবচাইটত "Suggestions to NTF" শীৰ্ষক প'ৰ্টেল মুকলি কৰিছে। মন্ত্ৰালয়ে লগতে সংশ্লিষ্ট ৰাজ্যসমূহৰ চিকিৎসা সংস্থাসমূহত উপলব্ধ সুৰক্ষা ব্যৱস্থা সন্দৰ্ভত তথ্য দাখিল কৰিবলৈ আহ্বান জনাইছে। মন্ত্ৰালয়ে এই পোৰ্টেলত লাভ কৰা তথ্যসমূহ ৰাষ্ট্ৰীয় টাস্ক ফোৰ্চৰ সদস্যসকলৰ বিবেচনাৰ বাবে প্ৰদান কৰিব। ইপিনে এন টি এফৰ সদস্য সকলে প্ৰকাশ কৰা মতে তেওঁলোকক বিভিন্ন ক্ষেত্ৰৰ লোকে প্ৰত্যক্ষভাৱে সাক্ষাৎ কাৰাৰ উপৰি প্ৰায় ৪০০টা পৰামৰ্শ প্ৰদান কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত অসমৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত অভূতপূৰ্ব বিকাশ সাধন হৈছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে বৃহস্পতিবাৰে প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হোৱাৰ পাছত চিৰাঙত এখন পৰ্যালোচনা বৈঠকত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ উন্নয়নত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি প্ৰায় প্ৰতিমাহে একোগৰাকীকৈ কেন্দ্ৰীয় মন্ত্ৰী অঞ্চলটোলৈ প্ৰেৰণ কৰি আহিছে। এই মন্ত্ৰীসকলে উত্তৰ-পূবত ৰূপায়িত হৈ থকা উন্নয়নমূলক প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰে। চিৰাং জিলাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনত ৰূপায়িত আঁচনিসমূহ সন্দৰ্ভত পৰ্যালোচনা বৈঠকত অংশ লৈ মন্ত্ৰীগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে গৰিব কল্যাণ যোজনা, ৰাজ্য চৰকাৰৰ অৰুণোদয় আঁচনি, আৰোহণ আঁচনি আদিৰ অধীনত হিতাধিকাৰীসকলে পৰ্যাপ্ত সুবিধা লাভ কৰিছে বুলি মন্তব্য কৰে।

এয়াই আছিল বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা গুৰুত্বপূৰ্ণ বাতৰিসমূহৰ আলোকপাত।

০০০০০০০০

সমাপ্ত